সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৫১ সংখ্যা, ১০পুহ , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 51 * Date Of Publication - 26 December 2021 Rs.5.00/-

## জানুৱাৰীৰ পৰা ১৫বছৰ উৰ্ধ্বক ক'ভিড ভেকচিন আৰু ৬০ বছৰৰ ওপৰৰ নাগৰিক বুষ্টাৰ পালি প্ৰদান কৰা হ'বঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী



ৰঙিলী বাৰ্ত্তাসেৱা- দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী প্ৰয়াত অটল বিহাৰী বাজপেয়ীৰ ৯৭ সংখ্যক জন্মবাৰ্ষিকী আৰু পৱিত্ৰ বৰদিনৰ নিশা দেশবাসীক সম্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ক'ভিড-১৯ ভেকচিন সন্দৰ্ভত গুৰুত্বপূৰ্ণ ঘোষণা কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে নতুন বৰ্ষতে নাবালকৰ বাবে ক'ভিড ভেকচিন প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰে। প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰা অনুসৰি ২০২২ চনৰ ৩ জানুৱাৰী পৰাই ১৫ বছৰৰ পৰা ১৮ বছৰীয়াক ক'ভিড ভেকচিন প্ৰদান কৰা হ'ব। ১০ জানুৱাৰী পৰাই স্বাস্থ্যকৰ্মী আৰু ষাঠিৰ উৰ্ধ্বৰ জ্যেষ্ঠ নাগৰিকসকলক ক'ভিড বুষ্টাৰ

( পাঁচ পৃষ্ঠাত চাওক)

## এপলক উভতি চাওঁ পাৰ হৈ যাব খোজা বছৰটোক.....

মানসী মিশ্ৰ



আমাৰ সমুখত মাত্ৰ কেইটামান দিন । চকুৰ পলকতে শেষ হৈ যাবলৈ ওলাইছে সৌ সিদিনা আৰম্ভ হোৱা বৰ্ষটো। এনেদৰে একোটা মাহ পাৰ হৈ যায় তাৰ পিচত একোটি বছৰ।। প্ৰতিটো বছৰেই আমাক কিছু দি যায় আৰু কিছু লৈ যায়। প্ৰতিটো বৰ্ষতেই ইতিবাচক, নেতিবাচক দুইধৰণৰ খবৰেই থাকে । দুই ধৰণৰ কাৰ্য্যকলাপে এটি বছৰক আগুৰি ৰাখে। ইয়াৰ মাজেদিয়ে সময়ৰ সতে খোজ মিলাই আগবাঢ়ি যায়। নিজৰ কৰ্মব্যস্ততাৰ বাবেই হওঁক নতুন অন্য কোনো কৰ্মব্যস্ততাৰ বাবেই হওঁক নতুবা অন্য কোনো কাৰণতেই হওঁক খুব খৰ গতিৰে সময়বোৰে বাগৰ সলায় । বছৰটো শেষ হবলৈ ওলোৱা সময়ত আমি যেতিয়া হিচাপ নিকাচ কৰি চাওঁ তেতিয়াহে বছৰটোৰ সফলতা, বিফলতাৰ খতিয়ানৰ প্ৰকৃত চিত্ৰখন আমাৰ সমুখত ধৰা দিয়েহি।

এনেদৰেই ২০২১ বৰ্ষটো আমাৰ চকুৰ সমুখত মেলানি মাগিবলৈ ওলাইছে। ডিচেম্বেৰ মাহ এতিয়া । সন্মুখত মাত্ৰ কেইটামান দিন । গতিকে স্বাভাৱিকতে ২০২১ বৰ্ষটোৱে আমাক কি দিলে আমাৰ পৰা কি নিলে, সেই সকলো কথাই মনলৈ আনে আৰু সেই কথাখিনি বছৰটোৰ শেষত চালিজাৰি চাব বিচৰা হয়। সামগ্ৰিকভাবে বিচাৰ কৰি চালে গম পোৱা যায় ২০২১ বৰ্ষৰ আৰম্ভণিৰ পৰা শেষলৈ কোভিড মহামাৰীৰ দ্বিতীয়টো ঢৌৱে ৰাজ্যখনক বেয়াকৈ জুৰুলা কৰিলে, বহুলোক সংক্ৰমিত হল। বহুলোকৰ মৃত্যু হল কোভিদৰ এই দ্বিতীয় ঢৌত । একোখন সংসাৰ উচন হৈ যোৱাৰ দৰে হ'ল । বহু ল'ৰা-ছোৱালী অনাথ হল । পিতৃ-মাতৃৰ মৰম স্নেহৰ পৰা বঞ্চিত হল। ইয়াৰ মাজতে সময়বোৰ আগবাঢ়ি বছৰটো শেষ হবলৈ ওলাইছে ।

এতিয়া যদি আমি আপেক্ষিকভাবে বিশ্লেষণ কৰি চাওঁ যে ২০২১ বৰ্ষটো ৰাজ্যৰ মহিলা যুৱতীসকলৰ বাবে কেনেকুৱা আছিল সেই ক্ষেত্ৰতো আমি যিখন সঁচা ছবি দেখিবলৈ পাওঁ, সেয়াও ৰাজ্যৰ বাবে ইমান সন্তোষ জনক নহয় । অৱশ্যে ৰাজ্যখনত বছৰটোৰ

( চাৰি পৃষ্ঠাত চাওক)

## সম্পাদকীয়ঃ

### ৰিমছৰ হাতোৰাত শিক্ষক সমাজৰ ভৱিষ্যত

যিয়েই শিক্ষাদান কৰে সেয়ে শিক্ষক। শিক্ষাগুৰু সকল হ'ল আমাৰ জীৱন গঢ়োতা। কিন্তু এই শিক্ষকসকলৰ ওপৰত সাম্প্ৰতিক সঘনাই কিছু বোজা যাপি দিয়া পৰিলক্ষিত হৈছে। বোজা মানে ই এক হাৰাশাস্তি বুলি ক'লেও কিজানি ভুল কোৱা নহ'ব। দৈনিক পাঠদানৰ উপৰিও চৰকাৰৰ নিত্য নতুন নতুন নিৰ্দেশনা। তাৰে মাজত মধ্যাহ্ন ভোজনৰ হিচাপ-নিকাচ আছেই। ইয়াৰোপৰি শিক্ষকসকলে নিৰ্বাচনৰ দায়িত্ব, লোকপিয়লৰ দায়িত্ব, ভেকচিনৰ দায়িত্ব ইত্যাদি এশএবুৰি চৰকাৰী দায়িত্ব পালন কৰিবলগীয়া হয়। আকৌ তাৰে মাজতে গুণোৎসৱ। এতিয়া কথা হ'ল ইমান বোৰ দায়িত্বৰ মাজতো মানৱ সম্পদ গঢ়াৰ দৰে গুৰু দায়িত্বতোৰ বাবে এগৰাকী শিক্ষক মানসিক ভাবে কিমানখিনি প্ৰস্তুত হৈ থাকে বাৰু ?বহুশিক্ষক থকা বিদ্যালয় সমূহৰ কথা বাৰু সুকীয়া কিন্তু এতিয়াও এনে কিছুমান প্ৰাথমিক বিদ্যালয় আছে য'ত এজন বা দুজনৰদ্বাৰা বিদ্যালয় খন পৰিচালনা কৰিব লগীয়া হয়। প্ৰাথমিক বিদ্যালয়ৰ ডাঙৰ সমস্যাটো হৈছে চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ পদ নাই। এই সকলোবোৰ সমস্যা থকাৰ পিছতো এতিয়া অন্য এক চৰকাৰী নিৰ্দেশনা ৰিমছ এপ। শিক্ষকে ৰিমছ এপ ব্যৱহাৰ কৰিবই লাগিব। এইটো কি কথা। কিন্তু এই এপছৰ জড়িয়তে শিক্ষকসকলৰ ব্যক্তিগত তথ্যৰ গোপনীয়তা ফাদিলৰ যি আশংকা সেইয়া কিমান দূৰ গ্ৰহণযোগ্য। ৰিমছৰ জড়িয়তে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতি সন্দৰ্ভত চৰকাৰক অবগত কৰাৰলৈকে ঠিক আছিল কিন্তু শিক্ষকসমাজৰ ব্যক্তিগত স্বাধীনতা হৰলুকী হোৱাৰ যি দোধোৰ-মোধোৰ অৱস্থা তাৰ সুদোত্তৰ ক'ত ? ?এনে সন্ধিক্ষনত এজন শিক্ষকে মানসিক ভাৰসাম্য হেৰুৱাই আত্মহননৰ পথ বাছি ল'লে। গতিকে মানসিক ভাবে শিক্ষক সমাজ কিমান শক্তিশালী হ'ব সেয়া সময়েহে ক'ব।

## ৰাজ্যত স্বাস্থ্য বিভাগৰ নতুন এছ অ' পি জাৰি

ৰঙিলী বাৰ্ত্তাসেৱা- অসম চৰকাৰৰ স্বাস্থ্য বিভাগে ৰাজ্যত এতিয়ালৈ কোনো লোক অমিক্ৰনত আক্ৰান্ত হোৱা নাই যদিও সতৰ্কতামূলক ব্যৱস্থা হিচাপে নতুন এছ অ' পি প্ৰকাশ কৰিছে।মহকুমাধিপতিৰ কলিয়াবৰৰ কাৰ্যালয় সভাকক্ষত আয়োজিত এখন সংবাদ মেলত স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই ৰাজ্যখনত অমিক্ৰনৰ সংক্ৰমন ৰোধ কৰাৰ বাবে এছ অ' পি প্ৰকাশ কৰে। ৰাতিপুৱা ৬ বজাৰ পৰা এছ অ' পিখন কাৰ্যকৰী হৈছে। নতুন এছ অ' পি অনুসৰি সমগ্ৰ ৰাজ্যত নিশা ১১.৩০ বজাৰ পৰা পুৱা ৬ বজালৈ সাক্ষ্য আইন বলবৎ থাকিব। অৱশ্যে নববৰ্ষ উপলক্ষে অহা ৩১ ডিচেম্বৰত এই বাধা-নিষেধসমূহ প্ৰযোজ্য নহ'ব বুলি মন্ত্ৰী মহন্তই স্পষ্ট কৰি দিয়ে। তেওঁ কয় যে ৩১ ডিচেম্বৰক বাদ দি আন দিনসমূহত ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ নিশা ১০.৩০ বজাত বন্ধ কৰিব লাগিব। চৰকাৰী, বেচৰকাৰী কাৰ্যালয়ো নিশা ১০.৩০ বজাত বন্ধ কৰিব লাগিব। গেলামাল, ফলমুল, শাক-পাচলি, গাখীৰকে ধৰি দুগ্ধজাত সামগ্ৰীৰ দোকান, মাছ-মাংসৰ দোকান আদিও নিশা ১০.৩০ বজাত বন্ধ কৰিব লাগিব। ৰেষ্টুৰেণ্ট, ধাবা আদিও নিশা ১০.৩০ বজাত বন্ধ কৰিব লাগিব। শ্ব'ৰুমৰ কাউণ্টাৰ, ক'ল্ড ষ্ট'ৰেজ আদিও নিশা ১০.৩০ বজাত বন্ধ কৰিব লাগিব। অৱশ্যে অত্যাৱশ্যকীয় সেৱাৰ সৈতে জড়িতসকলক এই বাধ্য-বাধকতাৰ পৰা ৰেহাই দিয়া হৈছে। লগতে সংবাদ মেলখনত স্বাস্থ্যমন্ত্ৰী মহন্তই কয় যে বিভিন্ন সভা-সমিতিৰ ক্ষেত্ৰত সভাগৃহত থকা ৫০ শতাংশ আসনতহে মানুহ থাকিব পাৰিব আৰু প্ৰত্যেকেই দুয়োপালি ক'ভিড ভেকচিন লোৱা ব্যক্তি হ'ব লাগিব। হোটেল-ৰেষ্টুৰেণ্টসমূহেও ৫০ শতাংশ আসনতহে গ্ৰাহকক বহিব দিব লাগিব। চিনেমা গৃহসমূহেও ৫০

( দুই পৃষ্ঠাত চাওক)

# অযোধ্যাত ৪৯.৮৩ কোটি টকা ব্যয়েৰে আয়ুষ শিক্ষা প্ৰতিষ্ঠান (আয়ুৰ্বেদ) স্থাপনৰ আধাৰশিলা সম্পন্ন



ৰঙিলী বাৰ্ত্তাসেৱা- কেন্দ্ৰীয় আয়ুষ মন্ত্ৰী তথা কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সাণোৱালে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যাগেী আদিত্যনাথৰ সৈতে ৰাজ্যখনৰ স্বাস্থ্যসেৱাত নতুন সংযাজেনেৰে কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ ৰূপায়িত কৰে আৰু কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ আধাৰশিলা কৰে। ৰাষ্ট্ৰীয় আয়ুষ মিছনৰ অধীনত বিভিন্ন কল্যাণকামী পদক্ষেপৰ বাবে ভাৰত চৰকাৰে উত্তৰ প্ৰদেশলৈ মুঠ ৫৫৩.৩৬ কোটি টকা মুকলি কৰে। দেশত এক বহনক্ষম, কাৰ্যকৰী আৰু সুলভ স্বাস্থ্যসেৱা গঢ়ি তালোৰ প্ৰচেষ্টাৰ অংশ হিচাপে উত্তৰ প্ৰদেশত আঠখন নতুন ৫০ বিছনাযুক্ত সমন্বিত আয়ুষ চিকিৎসালয় উদ্বোধন কৰে কেন্দ্ৰীয় মন্ত্ৰী আৰু মুখ্যমন্ত্ৰীয়ে। পুণ্যভূমি অযাধ্যোত কেন্দ্ৰীয়ভাৱে আয়োজিত একেটা অনুষ্ঠানতে তেওঁলাকে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত মুঠ ৫০০টা নতুন আয়ুষ স্বাস্থ্য আৰু সুস্থতা কেন্দ্ৰও আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। তদুপৰি, অযাধ্যোত ৪৯.৮৩ কোটি টকা ব্যয়েৰে আয়ুষ শিক্ষা প্ৰতিষ্ঠান (আয়ুৰ্বেদ) স্থাপনৰ আধাৰশিলা সম্পন্ন কৰা হয়। ছয়খন চহৰত ৫০ বিছনাযুক্ত ছয়খন সমন্বিত আয়ুষ চিকিৎসালয় স্থাপন আৰু ৰাজ্যখনৰ বিভিন্ন জিলাত ২৫০ খন নতুন আয়ুষ ঔষধালয় স্থাপনৰো আধাৰশিলা স্থাপন কৰা হয়। ৰাজ্যখনত এক শক্তিশালী স্বাস্থ্যসেৱা ব্যৱস্থা গঢ়ি তালোত আয়ুষৰ ভূমিকা সন্দৰ্ভত বক্তব্য ৰাখি সৰ্বানন্দ সাণোৱালে কয়, "আজিৰ পদক্ষেপসমূহে সৰ্বসাধাৰণ ৰাইজক বিভিন্ন আয়ুষ প্ৰণালীৰ সঠিক লাভালাভ প্ৰাপ্ত কৰাত সহায় কৰিব। আয়ুষ স্বাস্থ্য

*(পাঁচ পৃষ্ঠাত চাওক)*

# আদাবাৰীত অটল উদ্যান মুকলি কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই

ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকাৰীয়ে আদাবাৰীত নিৰ্মাণ কৰি উলিওৱা উদ্যানখন আনুষ্ঠানিকভাৱে ৰাইজৰ বাবে মুকলি কৰে। ৰাজ্যিক গৃহ নিৰ্মাণ বিভাগৰ ৮ বিঘা ভূমিত ৮.৭৪ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰি উলিওৱা উদ্যানখন প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ স্মৃতিত উছৰ্গা কৰি উদ্যানখনৰ নাম অটল উদ্যান ৰখা হৈছে। এই অটল উদ্যানখন মুকলি কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে চৰকাৰখনৰ সাত মাহৰ শাসনকালৰ ভিতৰতে এই উদ্যানখন নিৰ্মাণ কৰি উলিওৱা হৈছে। হেঙেৰাবাৰীতো এনেধৰণৰ আন এখন উদ্যান নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা হ'ব। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয় যে ফাঁচীবজাৰৰ পুৰণি কাৰাগাৰত নিৰ্মাণৰত উদ্ভিদ উদ্যানখন ২০২৩ বৰ্ষৰ ভিতৰত ৰাইজৰ বাবে মুকলি কৰা হ'ব। মুখ্যমন্ত্ৰী ড° শৰ্মাই সদৰী কৰে যে গুৱাহাটীক পৰ্যাপ্ত সেউজ আৱৰণ আৰু অৱসৰ বিনোদনৰ সা-সুবিধা থকা এখন আধুনিক চহৰত পৰিণত কৰাৰ বাবে মুকলি ঠাই বিকশিত কৰাৰ দিশত চৰকাৰখনে চিন্তাচৰ্চা চলাই আহিছে। ইয়াৰ অংশ হিচাপে মহানগৰীত অৱসৰ বিনোদনৰ বাবে আৰু পাঁচখন ডাঙৰ উদ্যান গঢ়ি তোলাৰ পৰিকল্পনা কৰা হৈছে। মহানগৰীৰ লখৰাত এটা সংহত সঞ্চালকালয় চৌহদ নিৰ্মাণৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। চৰকাৰী কাৰ্যালয়সমূহ ইয়ালৈ স্থানান্তৰ কৰাৰ পিছতেই মহানগৰীৰ সেউজকৰণ আৰু অৱসৰ বিনোদনৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে বিভিন্ন স্থানত উদ্যান নিৰ্মাণ কৰা হ'ব। স্বাস্থ্যকৰ জীৱন যাপনৰ সুবিধা থকা এখন মহানগৰ হিচাপে গঢ়ি তোলাৰ বাবে মহানগৰীৰ চাৰিওটা সমষ্টিতে ইনড'ৰ ষ্টেডিয়াম, ছুইমিং পুল, ক্ৰীড়া চৌহদ নিৰ্মাণৰ পৰিকল্পনা লোৱা হৈছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। চানমাৰিস্থিত জলসিঞ্চন বিভাগৰ কাৰ্যালয় স্থানান্তৰ কৰি ইয়াৰ ২৬ বিঘা ভূমিত এখন ডাঙৰ পাৰ্ক নিৰ্মাণ কৰাৰ বাবে চৰকাৰে পৰিকল্পনা লোৱাৰ কথাও তেওঁ উল্লেখ কৰে। গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলংখন ২০২৩ চনৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই পলাশবাৰী-উত্তৰ গুৱাহাটী, কুৰুৱা-নাৰেংগী সংযোগী দলঙৰ সৈতে সংযুক্ত কৰাৰ বাবে এটা ৰিং ৰোড প্ৰকল্পৰ পৰিকল্পনা কৰা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে।

# নিবনুৱাক প্ৰতাৰণা-অপমান কৰা মন্ত্ৰী পাটোৱাৰীয়ে পদত্যাগ কৰক, মুখ্যমন্ত্ৰীয়ে ক্ষমা খোজক : অসম জাতীয় পৰিষদ

ৰঙিলী বাৰ্ত্তাসেৱা- নিবনুৱাক চাকৰি দিবলৈ মাতি আনি অপমান কৰা অসম চৰকাৰৰ মুৰব্বী হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ৰাজহুৱাকৈ ক্ষমা খোজাৰ দাবী তুলিছে অসম জাতীয় পৰিষদে। এখন সংবাদ মেলৰ আয়োজন কৰি দলৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে লগতে দক্ষতা বিকাশ বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ পদত্যাগো দাবী কৰে। গগৈৰ মতে, ব্যক্তিখত খণ্ডত চাকৰি দিবলৈ আচলতে চৰকাৰী উদ্যোগৰ প্ৰয়োজন নাই। যিসমূহ কোম্পানী বা প্ৰতিষ্ঠানক চাকৰি দিবলৈ নিয়োগ মেলালৈ মাতি নিয়া হৈছে, সেইসমূহে আগৰে পৰাই নিজা নিজা উদ্যোগত প্ৰয়োজনীয় চাকৰি দিয়েই দিয়েই আছে। চৰকাৰে কৃতিত্ব তেতিয়াহে দাবী কৰিব পাৰিলেহেতেন যদিহে ৰাজ্যৰ বাহিৰৰ বা বৃহৎ কৰ্পোৰেট কোম্পানীক মাতি আনি অসমৰ নিবনুৱাক চাকৰি দিয়াব পাৰিলেহেতেন। সেয়ে নিয়োগ মেলা পতাৰ নামত ৰাজহুৱা ধনৰ শৰাধ কৰি চমক সৃষ্টিৰ বাহিৰে চৰকাৰে আন একো কৰা নাই। দলৰ সম্পাদক চিত্তৰঞ্জন বসুমতাৰী, প্ৰিন্স ফাইজুল হক, প্ৰচাৰ সম্পাদক জিয়াউৰ ৰহমান আৰু কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য শিশিৰ কলিতা উপস্থিত থকা সংবাদ মেলখনত গগৈয়ে কয় যে চৰকাৰী নিয়োগ মেলাত হাজাৰ হাজাৰ নিবনুৱাৰ উপস্থিতিয়ে প্ৰমাণ কৰিলে যে কেন্দ্ৰ আৰু ৰাজ্য উভয় চৰকাৰে নিয়োগ সৃষ্টিৰ নামত কোটি কোটি টকা খৰচ কৰি থকা স্বত্বেও ৰাজ্যৰ নিবনুৱা সমস্যা সমাধান কৰিব পৰা নাই। আনহাতে নিবনুৱাক সংস্থাপনৰ বাট দেখুৱাবৰ বাবে কেইবা হাজাৰ কোটি টকা ব্যয় সাপেক্ষ্যে ৰূপায়ন কৰি থকা প্ৰধান মন্ত্ৰী কৌশল্য বিকাশ যোঁজনা আচনি আৰু অসম দক্ষ্যতা বিকাশ অভিযান শোচনীয়ভাৱে ব্যৰ্থ হৈছে। গতিকে উক্ত আঁচনি আৰু অভিযানৰ নামত এতিয়ালৈকে কিমান টকা খৰচ কৰা হ'ল, কোন প্ৰতিষ্ঠানক কিমান টকা আদায় বা অৱন্টন দিয়া হ'ল, উক্ত আঁচনিৰ অধীনত কিমান নিবনুৱাক প্ৰশিক্ষণ প্ৰদান কৰা হ'ল আৰু তাৰে কিমান সংখ্যক সংস্থাপিত হ'ল - এই সমগ্ৰ তথ্য সম্বলিত শ্বেতপত্ৰ প্ৰকাশ কৰিবলৈ গগৈয়ে দাবী উত্থাপন কৰে। তেওঁ কয়, "নিয়োগ মেলাৰ ব্যৰ্থতাই প্ৰমাণ কৰিলে যে নিবনুৱা যুৱক-যুৱতীৰ দক্ষতা বৃদ্ধি আৰু সংস্থাপনৰ নামত যোৱা ৭ বছৰৰো অধিক সময় কেন্দ্ৰীয় আৰু অসম চৰকাৰে উক্ত আঁচনি ৰূপায়নৰ নামত কেৱল নাটকহে কৰি আহিছে। অসমৰ নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত সংশ্লিষ্ট বিভাগ সম্পূৰ্ণ ৰূপে বিফল হৈছে। বৰ্তমান সেই বগা হাতী সদৃশ বিভাগক ৰাজ্য চৰকাৰে ৰলাখ চাকৰি দিয়াৰ ভুৱা প্ৰতিশ্ৰুতি ঢাকিবৰ বাবে ব্যৱহাৰ কৰি বাৰুকৈয়ে মুখ থেকেচা খাইছে। এনে ধৰণৰ নাটক কৰি সহজ সৰল অসমীয়া ৰাইজক আভুৱা ভাৰিবলৈ চৰকাৰে কোটি কোটি ৰাজহুৱা ধনৰ শৰাধ কৰি আহিছে।"অসমৰ মুখ্যমন্ত্ৰীয়ে চলিত বৰ্ষৰ ২০ জুলাইৰ দিনা অসম বিধান সভাৰ বাজেট অধিৱেশনত 'গণি গণি এক লাখ চাকৰি দিম' বুলি কৰা ঘোষণালৈ আঙুলিয়াই দি জাতীয় পৰিষদৰ সভাপতিগৰাকীয়ে কয় যে বিজেপি দলে বিগত বিধানসভা নিৰ্বাচনৰ দলীয় ইস্তাহাৰত পাঁচ বছৰত দুই লাখ আৰু ২০২২ চনৰ ৩১ মাৰ্চৰ ভিতৰত এক লাখ চৰকাৰী চাকৰি দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। তদুপৰি পাঁচ বছৰত ব্যক্তিগত খণ্ডত ৮ লাখ চাকৰি দিয়াৰ প্ৰতিশ্ৰুতিও ইস্তাহাৰত উল্লেখ কৰাৰ প্ৰসংগ উনুকিয়াই গগৈয়ে কয়, "উক্ত প্ৰতিশ্ৰুতি মৰ্মে

*(আঠপৃষ্ঠাত চাওক)*

# ৰাজ্যত স্বাস্থ্য বিভাগৰ

শতাংশ আসনত দৰ্শকক বহিব দিব লাগিব। তদুপৰি প্ৰত্যেকে মাস্ক ব্যৱহাৰ কৰাটো বাধ্যতামূলক। ইয়াৰ অন্যথা চৰকাৰে জৰিমনা বিহিব।ধৰ্মীয় স্থানসমূহতো, ঐতিহ্যমণ্ডিত কামাখ্যা মন্দিৰৰ দৰে স্থানত ঘণ্টাত ৬০ গৰাকী লোক প্ৰৱেশ কৰিব পাৰিব। তদুপৰি প্ৰত্যেকে দুয়োপালি ভেকচিন লোৱা লোক হ'ব লাগিব। অন্যান্য ধৰ্মীয় প্ৰতিষ্ঠানত ঘণ্টাত ৪০ গৰাকী লোক প্ৰৱেশ কৰিব পাৰিব। এইসকল লোকো দুয়োপালি ভেকচিন লোৱা হ'ব লাগিব।বিমানবন্দৰ, ৰে'ল ষ্টেচনসমূহত চৰকাৰে চোকা দৃষ্টি ৰখাৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰী মহন্তই কয় যে আন্তঃৰাষ্ট্ৰীয় ভ্ৰমণকাৰীসকলৰ ক্ষেত্ৰত চৰকাৰে কঠোৰ পদক্ষেপ লৈছে। তেওঁলোকৰ ক'ভিড পৰীক্ষাৰ ৰিপ'ৰ্ট নিগেটিভ হ'লেও ৭ দিন কোৱাৰেণ্টাইনত থাকিব লাগিব। স্বাস্থ্য বিভাগে ঘৰত গৈ হলেও তেওঁলোকৰ নমুনা পৰীক্ষা কৰিব। শিক্ষানুষ্ঠানৰ ক্ষেত্ৰত স্বাস্থ্যমন্ত্ৰী মহন্তই কয় যে বৰ্তমান ৫০ শতাংশ ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰে যিদৰে শিক্ষানুষ্ঠানসমূহ চলি আছে, তেনেদৰেই চলি থাকিব। অৱশ্যে পৰিস্থিতিৰ যদি অৱনতি ঘটে, তেতিয়াহ'লে পৰৱৰ্তী পৰ্যায়ত চৰকাৰে আন সিদ্ধান্ত গ্ৰহণ কৰিব।সেইদৰে চৰকাৰে স্বাস্থ্যখণ্ডৰ ক্ষেত্ৰতো ক্ষিপ্ৰ পদক্ষেপ লোৱাৰ বিষয়ে জানিবলৈ দি আই চি ইউকে ধৰি বিভিন্ন মেৰামতিৰ কাম যুদ্ধকালীন ক্ষিপ্ৰতাৰে আৰম্ভ কৰিছে। নতুন এছ অ' পি অনুসৰি কোনো অঞ্চলত যোৱা ৭ দিনৰ ভিতৰত ১০জনৰ অধিক ক'ভিড ৰোগী চিনাক্ত হলে, সেই অঞ্চলটো জিলা দণ্ডাধীশে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ মিছন সঞ্চালকৰ সৈতে আলোচনা কৰি কণ্টেইনমেন্ট জ'ন হিচাপে ঘোষণা কৰিব। সেইদৰে যিসকল কৰ্মচাৰীয়ে প্ৰথম ড'জ ক'ভিড ভেকচিন লৈছে, তেওঁলোকেও নিয়মীয়াকৈ কাৰ্যালয়ত উপস্থিত থাকিব লাগিব। সেইদৰে সামগ্ৰী কঢ়িওৱা যান-বাহনৰ চলাচল অব্যাহত থাকিব। সকলো ৰাজহুৱা পৰিবহণে ক'ভিড প্ৰট'কল মানি চলিব লাগিব। অটোৰিক্সা, ৰিক্সা, টেক্সীয়ে ক'ভিড প্ৰট'কল মানি ১০০ শতাংশ আসনত যাত্ৰী কঢ়িয়াব পাৰিব। মটৰচাইকেল চলাচলত বাধা নাই যদিও প্ৰথম পালি ভেকচিন লোৱা হ'ব লাগিব আৰু মাস্ক পৰিধান কৰাটো বাধ্যতামূলক। আন্তঃজিলা আৰু অন্তঃজিলা যাতায়াতৰ ক্ষেত্ৰত যান-বাহনসমূহে এশ শতাংশ যাত্ৰী কঢ়িয়াব পাৰিব যদিও কোনো লোককে থিয় কৰাই নিব নোৱাৰিব।

১০ পুহ, ১৪২৭ চন Rongili Barta, Date of Publication-- 26 December, 2021

# মানুহে মানুহৰ বাবে..

**কবিতা শৰ্মা**



কোনো মানুহ অমৰ নহয় । অৱধাৰিত মৃত্যুক হাতৰ মুঠিত লৈয়েই এই পৃথিৱীত মানুহৰ জন্ম হয় । জন্ম হোৱাৰ মুহূৰ্তৰ পৰাই আৰম্ভ হয় মৃত্যুমুখে আমাৰ এই অবিৰত যাত্ৰা ।জীৱন কালত আমি লাভ কৰা সম্পৰ্কবোৰ, টকা পইচা, মান-সন্মান, খ্যাতি - যশস্যা এই সকলোবোৰৰ একোৱেই স্থায়ী নহয় ।

স্থায়ী যদি কিবা আছে তেতিয়াহলে সেয়া কেৱল মাত্ৰ আমাৰ কৰ্ম... কেৱল মাত্ৰ সজ কৰ্মৰ দ্বাৰাহে এই পৃথিৱীত মানুহে অমৰত্ব লাভ কৰিব পাৰে । মৃত্যুৰ লগে লগে কিছুমান মানুহৰ অস্তিত্ব পৃথিৱীৰ বুকুৰ পৰা চিৰদিনৰ বাবে হেৰাই যোৱাৰ বিপৰীতে, অন্য কিছু ব্যক্তি নিজৰ সজ গুণ আৰু সজ কৰ্মৰ দ্বাৰা চিৰকালৰ বাবে সকলোৰে অন্তৰত ৰৈ যায় । মানুহ হিচাপে জীয়াই থকাৰ সাৰ্থকতা তাতেই।

অজস্ৰ ধন- সম্পত্তি, টকা-পইচা, বিলাসী জীৱন- যাপন, নাম - যশ, জীৱন যোৰা খ্যাতি কেৱল মাত্ৰ এয়াই সফলতাৰ মাপকাঠি নহয় ।এই সকলোবোৰ থকাৰ পাছতো এজন মানুহক প্ৰকৃতাৰ্থত সফল বুলি কব নোৱাৰি যদিহে তেওঁ নিজৰ লাভৰ বাবে আনৰ লোকচান বা নিজৰ সুৰক্ষাৰ বাবে আন দহজনক বিপদত পেলাবলৈকো কুণ্ঠা বোধ নকৰে। পৃথিৱীৰ বেছিভাগ মানুহে অকনমান সুখ প্ৰাপ্তিৰ আশাত হাবাথুৰি খাই ফুৰে, কিন্তু বিনিময়ত লাভ কৰে মাথোঁ সীমাহীন দুখ। কাৰণ তেওঁলোকে নাজানে সুখৰ পৰিভাষা... টকা-পইচা, ধন-সম্পত্তি এইবোৰেই সুখৰ কাৰণ হোৱাহেতেন পৃথিবীৰ আটাইতকৈ ধনী ব্যক্তিজনেই আটাইতকৈ সুখী ব্যক্তি হ'লহেতেন ।কিন্তু বাস্তৱত সেয়া নহয়। আনৰ পৰা কাঢ়ি আনি পোৱা সুখ আচল সুখ নহয় ।কাঢ়ি আনি পোৱা সুখ আৰু দান কৰি পোৱা সুখৰ মাজত আকাশ পাতাল প্ৰাৰ্থক্য! য'ত অজস্ৰ টকা পইচাৰ গৰাকী এজনেও বিপদৰ সময়ত আনক সহায় কৰিবৰ সময়ত দহবাৰ ভাবিবলগীয়া হয়, তেনে ক্ষেত্ৰত দুবেলা দুসাজ পেট ভৰাই খাবলৈ নোপোৱা দৰিদ্ৰ লোক এজনেও বিপদত পৰা লোকক সহায় কৰিবলৈ এক মুহূৰ্তও চিন্তা নকৰে । আনৰ কথা ভাবিবলৈ, আনক সহায় কৰিবলৈ অজস্ৰ টকা-পইচাৰ নহয়, মানবীয় গুণৰহে প্ৰয়োজন । প্ৰয়োজন এখন বিশাল হৃদয়ৰ... দেৱতা আৰু দানবৰ কোনো বেলেগ লোক নাই । এই পৃথিৱীতে কিছু এনে মানুহ আছে যি দেৱতুল্য, আন এজনৰ আচৰণ আকৌ দানৱ সদৃশ। এজনৰ যদি আনক সহায় কৰিবৰ মন, আনজনৰ মন আনৰ অপকাৰ কৰাৰ। সকলোৰে মনবোৰ যদি নিকা আৰু পৱিত্ৰ হয় এই পৃথিবী খন কিমান সুন্দৰ হৈ পৰিব! সকলো মানুহে যদি কেৱল নিজৰ কথা চিন্তা নকৰি কিছু হলেও আনৰ কথা চিন্তা কৰে, তেতিয়াহে হয়তো পৃথিৱীৰ পৰা ধনী- দুখীয়া, উচ্চ- নীচৰ বৈষম্য আঁতৰিব। কোনো মানুহ ভোক বা কষ্টত থাকিব লগীয়া নহব - তেতিয়াহে হয়তো পৃথিৱীৰ বুকুৰ পৰা দুখবোৰো আঁতৰি যাব।

জীৱন নামৰ পথটোৰ শেষ স্থান যিহেতুকে মৃত্যু, আমি সকলোৱে এই যাত্ৰাৰ সহযাত্ৰী । কোনো এজন যাত্ৰী যদি আদবাটতে ৰৈ যাব খোজে, যদি আগবাঢ়ি যোৱাত অপাৰগ হয়, তেন্তে সহযাত্ৰী হিচাপে আমি যিমান দূৰ পাৰো তেওঁকো আমাৰ লগত আগুৱাই নিয়াৰ চেষ্টা কৰা উচিত । তেতিয়াই হব মানৱতাৰ বৃহৎ জয়.... সমাজৰ পৰা সকলো দুখ আঁতৰি যাবলৈ বাধ্য হব। তেতিয়াই আমাৰ এই পৃথিৱীখনেই হৈ পৰিব সৰগ সদৃশ।

# শিৰোনামাই কয় 'কলম এতিয়াও ৰৈ আছে'...

**দেৱীকা বৰপূজাৰী, মুম্বাই**




চেন্নাইৰ প্ৰখ্যাত ৱাল্লাজাহ মছজিদৰ কাষৰ আলি টোতে সৰুকৈ অফিচ এটা, য'ত আছে কেৱল বিভিন্ন ধৰণৰ কলম, চিয়াঁহীৰ বটল আৰু ঠাক ঠাক কাগজ! ১৯২৭চনত চৈয়দ আজাথাউল্লা ই The Musalman নামৰ পৃথিৱীৰ প্ৰথম হাতে লিখা বাতৰি কাকত খন প্ৰতিষ্ঠা কৰিছিল, আজি ৯৩ বছৰত ভৰি দিছে। দেউতাকৰ মৃত্যুৰ পাছত চৈয়দ ফাজিতুল্লা আৰু বৰ্তমান তেখতেৰ পুত্ৰ চৈয়দ আৰিফাউল্লা ই এই বাতৰি কাকত উলিয়াই আছে। ৩০ বছৰীয়া এই ডেকা জনেই সম্পাদনা কৰে, লিখে আৰু প্ৰিন্ট কৰায়।"মই আন কাম নকৰিলো কিয়নো বাতৰি কাকতখন চলি থকাটো বৰ প্ৰয়োজন, তদুপৰি ককাৰ উদ্দেশ্য আছিল, মুছলমানৰ কথা, সমস্যা আদি জগতক জনোৱা " বুলি আৰিফুল্লাই কয়। চাৰি পৃষ্ঠাৰ আহিল বহল জোখৰ বাতৰি কাকতৰ সকলোবোৰ বাছনি কৰে আৰিফুল্লাই নিজে। দেশৰ বিভিন্ন ঠাইত এওঁলোকৰ নিজা সংবাদদাতা আছে, কিন্তু আন বাতৰি কাকতৰ দৰে আন কাৰো নাম বাতৰি দিওঁতাৰ শিৰোনামাত নাহে।ৰাতিপুৱা দহ বজাত দুগৰাকী অনুবাদক আহে, উৰ্দুলৈ বাতৰি ভাঙনি কৰিবলৈ। দুঘণ্টাৰ ভিতৰত এই কাকতৰ তিনিজন calligrapher আহি অসীম ধৈৰ্য্যৰে, সুন্দৰকৈ বাতৰি সমূহ calligraphy ত লিখি যায়। Calligraphy বাতৰি কাকতৰ আত্মা বুলিও ধৰিব পাৰি। কিন্তু, আজি এই টেকনলজীৰ দিনত সেই সকলৰ কাম নোহোৱা হৈ পৰিল। শ্ৰীনগৰত থকা চৰকাৰী ইনষ্টিটিউট য'ত উৰ্দু calligraphy শিকাইছিল, সেয়াও বন্ধ কৰিবলগীয়া হ'ল- ছাত্ৰ ছাত্ৰীৰ অভাৱত অৰ্হতা থকা উৰ্দু সংবাদদাতা পোৱা সহজ

(আঠপৃষ্ঠাত চাওক)

# পৰিৱৰ্তন

**অঞ্জুমণি শইকীয়া, যোৰহাট**




স্বভাৱ- চৰিত্ৰৰ লগতে পঢ়া- শুনাত ভাল ল'ৰা - ছোৱালীৰ প্ৰতি মোৰ আগ্ৰহ বেছি। বিশেষকৈ, দুখীয়া ঘৰৰ।

এদিন স্বামীয়ে মোক ক'লে, " আজি আমাৰ ওচৰৰ গাঁও এখনৰ ল'ৰা এজনক ঘৰত থৈ আহোঁতে দেৰি হ'ল। তুমি চিনি নাপাবা । ল'ৰাজনে ডিব্ৰুগড় ইউনিভাৰ্চিটিত ইংৰাজী বিষয়ত এম এ পঢ়ি আছে। দেউতাকে তামোল বেচে। বাছ ষ্টেণ্ডত লগ পাই কথা বতৰা পাতিলো। বৰ ভাল ল'ৰা। (স্বামী বহুত দিন বাহিৰত আছিল বাবে গাঁৱৰ বা ওচৰৰ ল'ৰা- ছোৱালীৰ খবৰবোৰ দেখিকৈ পাইছিল।)

" মোকো চিনাকি কৰি দিবচোন ।"

বছৰ বাগৰিল । আমাৰ ঘৰৰ কাষৰ এম ই স্কুলখনত কাৰ্যকৰী কমিটিত মোক সদস্যাৰূপে মনোনীত কৰিলে (পিছলৈ সহকাৰী সভানেত্ৰী হৈছিলো।)

এদিন আমাৰ গাঁৱৰ ল'ৰা এজন আহি মোক ক'লে, " নবৌ, কাইলৈ স্কুলৰ মিটিংখনত আপুনি মোৰ হৈ ক'ব দেই ।"

"কি ক'ব লাগিব ?"

" ক'ব আৰু ! মই যে ল'ৰা — ছোৱালীক ভালকৈ পঢ়াওঁ ।"

" মোক স্কুললৈ মাতিছে হয়, কিন্তু মিটিঙৰ বিষয় কি মোক নাই কোৱা (আগতে মই এনেকুৱা মিটিঙত গৈ পোৱা নাই )। তুমি বুজাই দিয়াচোন ।"

"আমাৰ স্কুলত শিক্ষক ল'ব ।দৰ্খাস্ত কেইবাজনো প্ৰাৰ্থীয়ে দিছে। কিন্তু, কোনে পাব সেয়া কমিটিৰ সদস্য !সদস্যাসকলৰ মতামতৰ ওপৰত নিৰ্ভৰ কৰিব । সেয়ে মই সকলো সদস্য! সদস্যাক ঘৰে ঘৰে গৈ কৈ আহিছো । সকলোৱে মোৰ কথা ক'ব। - কাইলৈ নবৌ আপোনাৰ ওচৰলৈ আহিব।একেলগে যাব মিটিঙলৈ । "

ল'ৰাজনৰ নবৌয়েক এসময়ত মোৰ স্বামীৰ ছাত্ৰী আছিল । ককায়েকজন স্বামীতকৈ দহগুণে ডাঙৰ । সেয়ে তেখেতক " দাদা" বুলি মাতো । " দাদা" আকৌ সেই স্কুলখনৰ (হাইস্কুলৰ) প্ৰিঞ্চিপালৰ সখী ।মানে, দৰাৰ ছাতি ধৰা বন্ধু ।লগতে " দাদা" একেখন এম ই স্কুলৰ শিক্ষক । সেয়ে ল'ৰাজনে শিক্ষকৰ পদটো পোৱাটো খাটাং হৈ আছিল । ইতিমধ্যে ল'ৰাজনে দাদা আৰু প্ৰিঞ্চিপালৰ কৃপাত স্কুলখনত অস্থায়ী শিক্ষকতা কৰি আছিল । জানিব পৰা মতে ল'ৰাজনে প্ৰত্যক্ষ চিট নাপায় পৰোক্ষ চিট লৈ এম এ পাছ কৰিছিল ।

পিছদিনা মিটিং আছে দিনৰ ৰ বজাত ।পুৱা ১০ বজাত ল'ৰাজনৰ নবৌয়েক আমাৰ ঘৰ পালেহি । স্বামীয়ে মোক মনে মনে ক'লে, " কাৰো হৈ ওকালতি নকৰিবা । পিছত তোমাকহে সকলোৱে বেয়া বুলি ক'ব ।" স্বামীয়ে কোৱা কথাষাৰৰ অৰ্থ আছিল — মোৰ ফালৰ মিতিৰ কুটুম্ব নথকা অকলশৰীয়া বোৱাৰী সেই অঞ্চলত একমাত্ৰ ময়েই আছিলো (মোক সমৰ্থন নকৰা)। অন্য বোৱাৰীবোৰৰ মাতৃ গৃহৰ কোনোবা এঘৰ হ'লেও আছিল (কিছুমান ক্ষেত্ৰত অকলশৰীয়া হোৱাৰ শিক্ষা পাইছিলো)। স্কুল পোৱালৈকে ৫ মিনিটৰ বাটটোত নবৌয়েকে দেওৰেকৰ হৈ ক'বলৈ মোক কিছুমান কথা ক'লে ।

মিটিং আৰম্ভ হ'ল। মিটিঙৰ লগত জড়িত প্ৰধান শিক্ষক আৰু প্ৰিঞ্চিপালৰ বাহিৰে অন্য শিক্ষক! প্ৰাৰ্থীক ভিতৰলৈ প্ৰৱেশ কৰা নিষেধ যদিও মোৰ ওচৰলৈ অহা ল'ৰাজন প্ৰথম

(আঠপৃষ্ঠাত চাওক)

# অভিজ্ঞতা

**ঋত্বিজ ঠাকুৰ**
**প্ৰাক্তন সাধাৰণ সম্পাদক, দেৰৰাজ ৰয় মহাবিদ্যালয় ছাত্ৰ একতা সভা (২০১৯-২১)**




২০১৭ চনৰ জুন মাহ। মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত উচ্চতৰ মাধ্যমিক অধ্যয়নৰ বাবে দেৰৰাজ ৰয় মহাবিদ্যালয়ত নামভৰ্তি কৰিছিলোঁ। মহাবিদ্যালয়ত নামভৰ্তি কৰাৰ দিনাৰে পৰা এটা সপোন আছিল মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ এজন সদস্য হম। তেতিয়া কিন্তু কোনো কাৰণত ভৰা নাছিলোঁ সাধাৰণ সম্পাদক হোৱাৰ কথা। লাহে লাহে সময়বোৰ বাগৰি গল, মহাবিদ্যালয়ৰ সেই সময়ৰ ছাত্ৰ একতা সভা সমূহ আৰু দাদা-বাইদেউহঁতৰ সৈতে মোৰ অতি ঘনিষ্ঠ সম্পৰ্ক গঢ় লৈ উঠিছিল। তেতিয়াই তেওঁলোকে মোক ২০১৯-২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত সাধাৰণ সম্পাদক পদত প্ৰতিদ্বন্দিতা আগবঢ়াবৰ বাবে কৈছিল। প্ৰথমে মই এই বিষয়ত ইমান মন দিয়া নাছিলোঁ যদিও পিছলৈ মোৰো মনটোৱে কৈছিল মই সাধাৰণ সম্পাদক পদটোত প্ৰতিদ্বন্দিতা আগবঢ়াব পাৰিম বুলি। সময় বাগৰিল, উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হলোঁ। কিন্তু তাৰ পিছত মোক মা-দেউতা তথা ঘৰৰ মানুহে স্নাতক শাখাত নামভৰ্তি কৰাৰ বাহিৰে আই.টি.আই পঢ়িবৰ বাবে যোৰ দিলে। মোৰ আই.টি.আই পঢ়িবৰ বাবে অলপো মন নাছিল, মোৰ মন আছিল দেৰৰাজ ৰয় মহাবিদ্যালয়ত স্নাতক শাখাত নামভৰ্তি কৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক পদত প্ৰতিদ্বন্দিতা আগবঢ়োৱা। কিন্তু উপায় নাপাই মই আই.টি.আই তো নামভৰ্তি কৰিলোঁ আৰু তাৰ সমান্তৰালভাৱে দেৰৰাজ ৰয় মহাবিদ্যালয়ৰ স্নাতক শাখাত নামভৰ্তি কৰিলোঁ। সেই সময়ৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্য, মহাবিদ্যালয়ৰ দাদা-বাইদেউ সকল আৰু বন্ধু-বান্ধৱ সকলে মোক ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক পদত প্ৰতিদ্বন্দিতা আগবঢ়াবৰ বাবে জোৰ দিছিল আৰু কেইজনমান দাদা, বন্ধু আহি আমাৰ ঘৰো পাইছিলহি ঘৰৰ মানুহক বুজাবৰ বাবে। দেউতাহঁতে প্ৰথমে কোনোপধ্যেই এই কথাত মান্তি হোৱা নাছিল যদিও পিছলৈ মান্তি হৈছিল আৰু কোনোদিনে ঘৰৰ বিপৰীতে নোযোৱা লৰাটো সেইসময়ত ঘৰৰ বিপৰীতে যাবলৈ বাধ্য হৈছিল। অৱশেষত সেই দিনটো আহিল মই সাধাৰণ সম্পাদক পদত প্ৰতিদ্বন্দিতা আগবঢ়োৱা কথাটো চূড়ান্ত হল। নমিনেশ্বন পেপাৰ দিলোঁ আৰু বিনাপ্ৰতিদ্বন্দিতাৰে সাধাৰণ সম্পাদক পদত জয়লাভ কৰিলোঁ। প্ৰথমেই ধন্যবাদ প্ৰতিজন দেৰৰাজীয়ানক যাৰ বাবে মই সাধাৰণ সম্পাদক হিচাপে দেৰৰাজ ৰয় মহাবিদ্যালয়ৰ বাবে সেৱা আগবঢ়াবলৈ সুযোগ পালোঁ। সাধাৰণ সম্পাদক হিচাপে মই সফল নে বিফল সেইয়া দেৰৰাজীয়ানে বিচাৰ কৰিব। ২ বছৰ ৩ মাহ ৭ দিন ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে মহাবিদ্যালয় হকে কাম কৰাৰ সুযোগ লাভ কৰিছিলোঁ, প্ৰথমে ভয় লাগিছিল। ইমান এখন ডাঙৰ মহাবিদ্যালয়ত সাধাৰণ সম্পাদকৰ দৰে এটা গুৰু দায়িত্ব মই পালন কৰিব লাগিব। ৭ ছেপ্টেম্বৰ ২০১৯ তাৰিখে আমাৰ ছাত্ৰ একতা সভাৰ শপত গ্ৰহণ হল। সেইদিনাৰে পৰাই মহাবিদ্যালয়ৰ প্ৰতিটো সমস্যাক নিজৰ সমস্যা হিচাপে লৈ, প্ৰতিজন দেৰৰাজীয়ানৰ প্ৰতিটো সমস্যাক নিজৰ সমস্যা হিচাপে লৈ সমস্যাসমূহ সমাধান কৰাৰ চেষ্টা কৰিছিলোঁ। সেইসময়ত অহা কোভিড মহামাৰীৰ বাবে বিশ্ববিদ্যালয়ৰ কেলেণ্ডাৰত ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ কথা উল্লেখ নথকাৰ বাবে আমাৰ কাৰ্যকাল দুটা বছৰলৈ বঢ়াই দিয়া হৈছিল যদিও আধাখিনি সময় বন্ধতে পাৰ হৈছিল। মহাবিদ্যালয়ৰ নিৰ্দিষ্ট কামসমূহ সুচাৰুৰূপে পালন কৰাৰ উপৰিও অনান্য কামসমূহ ও সুচাৰুৰূপে পালন কৰাৰ চেষ্টা কৰিছিলোঁ। এই সময়ছোৱাত বহু বিশিষ্ট ব্যক্তিৰ সান্নিধ্য লাভ কৰিছিলোঁ, বহু নতুন নতুন অভিজ্ঞতা বুটলিবলৈ সক্ষম হৈছিলোঁ। বহু নজনা কথা শিকিছিলোঁ। যেতিয়া আন কোনোবাই মোক এইয়া দেৰৰাজ ৰয় মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক বুলি চিনাকি কৰাই দিয়ে তেতিয়া মনটো খুবেই ভাল লাগে। বহু নতুন বন্ধু-বান্ধৱী, দাদা-বাইদেউ, ভাইটি-ভন্টি চিনাকি হল। মুঠতে এই সময়ছোৱা মোৰ জীৱনৰ এক টাৰ্ণিং পইণ্ট হব যাক কেতিয়াও কোনো কাৰণত পাহৰিব নোৱাৰোঁ। মোৰ এই কাৰ্যকালত মোক সহায় সহযোগ, দিহা পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ প্ৰতিজন শিক্ষাগুৰু, কৰ্মচাৰিবৃন্দ, দাদা-বাইদেউ, বন্ধু-বান্ধৱ, ভাইটি-ভন্টি তথা আমাৰ ছাত্ৰ একতা সভাৰ প্ৰতিজন সদস্যক মই অশেষ ধন্যবাদ জ্ঞাপন কৰিছো। মই

*(আঠপৃষ্ঠাত চাওক)*

# এপলক উভতি চাওঁ পাৰ হৈ যাব খোজা বছৰটোক.....

আৰম্ভণিতে অনুষ্ঠিত হোৱা বিধানসভাৰ নিৰ্বাচনত শ্ৰীমতী অজন্তা নেওগ বাইদেউক মন্ত্ৰীসভা বিত্তবিভাগৰ দৰে এক উল্লেখযোগ্য ইতিবাচক দিশ বহন কৰিছে আৰু আমাৰ সমাজখনত মহিলাই এনে গুৰুত্বপূৰ্ণ পৰম্পৰা কেনেকৈ বহন কৰিব পাৰে বুলি এক প্ৰচলিত পৰম্পৰা আছে। সেই পৰম্পৰাক বহু পৰিমাণে ভংগ কৰিবলৈ সক্ষম হৈছে। সমাজকল্যাণ বিভাগৰ জৰিয়তে ২৫ নভেম্বৰৰ পৰা ১০ ডিচেম্বৰ লৈকে মহিলাৰ বিৰুদ্ধে হিংসা বিৰোধী অভিযানটো সমূহ জিলাতে প্ৰণালীবদ্ধভাৱে পালন কৰা হ'ল। মহিলাসকলে যাতে ৰাজ্যখনৰ সকলো প্ৰান্ততে সুৰক্ষিত হৈ থাকিব পাৰে তাৰ বাবে তৃণমূল পৰ্য্যায়ৰ পৰা চহৰ পৰ্য্যায়লৈ সকলো মহিলাক সুৰক্ষা প্ৰদান কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। এই কাৰ্য্যসূচীৰ জৰিয়তে। মহিলা সকলৰ সুৰক্ষাৰ বাবে ইতিমধ্যে নতুনকৈ সবল আইন প্ৰণয়ন আৰু ইতিমধ্যে প্ৰণয়ন হৈ থকা আইন সমূহৰ বিষয়ে সকলো স্তৰৰ ৰাইজক অধিক সজাগতা দিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়।

ইয়াৰ লগে লগে আমাৰ ৰাজ্যখনত ডাইনীৰ দৰে এক ভয়াবহ অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিৰুদ্ধে অবিৰতভাৱে সংগ্ৰাম চলাই যোৱা বীৰুবালা ৰাভা বাইদেউক পদ্মশ্ৰীৰ দৰে এক সন্মানীয় স্বীকৃতি প্ৰদান কৰাতো নি:সন্দেহে আমাৰ সমগ্ৰ ৰাজ্যবাসীৰ বাবে এক গৌৰৱৰ বিষয়। বীৰুবালা ৰাভা বাইদেৱে ওৰেটো জীৱন ৰাজ্য খনৰ বিভিন্ন অঞ্চলত ডাইনী নামৰ ভয়াৱহ অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিৰুদ্ধে সংগ্ৰাম কৰি গৈ আজি পদ্মশ্ৰীৰ দৰে সন্মান বুটলিবলৈ সক্ষম হৈছে। এয়া আমাৰ সমগ্ৰ ৰাজ্যবাসীৰ বাবে নি:সন্দেহে গৌৰৱৰ বিষয়। বাইদেউ আমাৰ সমাজ খনৰ বাবে এক আদৰ্শ আৰু প্ৰেৰণাৰ প্ৰতীক। নতুন প্ৰজন্মৰ মাজত অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিৰুদ্ধে মাত মাতিবলৈ বাইদেউ প্ৰেৰণাৰ প্ৰতীক হওঁক, আমি সকলোৱে সেয়াই আশা কৰিম।

ইয়াৰ লগে লগে ক্ৰীড়াৰ জগত খনতো এই বৰ্ষটোত আমাৰ ৰাজ্যখনে ক্ৰীড়াৰ ক্ষেত্ৰতো সফলতা বুটলি আনিবলৈ সক্ষম হৈছে। লাভলীনা বৰগোহাঞি এ অলিম্পিকত পদক বুটলি আনি আমাৰ অসমৰ দৰে সৰু ৰাজ্য এখনক বিশ্বৰ মানচিত্ৰত পৰিচয় কৰাই দিলে। আমি প্ৰত্যেকেই অতিশয় আনন্দিত উঠি অহা এই খেলুৱৈ গৰাকীৰ এই সফলতাত।

বছৰটোৰ শেষৰ ফালে ছোৱালী সকলৰ উত্তৰণ আৰু উন্নয়নৰ নিৰ্মিত্তে পাঁচ খন জিলাত ইতিমধ্যে প্ৰৱৰ্তিত হৈ থকা বেটি পঢ়াও বেটি বচাও এই আঁচনি খন ৰাজ্য খনৰ আন সকলো জিলালৈ প্ৰৱৰ্তন কৰাটো নি:সন্দেহে আমাৰ সকলোৱে বাবে ইতিবাচক খবৰ। এইদৰে কমকৈ হলেও সফলতাৰ খবৰে আমাক আনন্দিত কৰিছে বছৰটোৰ ভিতৰত। শেহতীয়াভাৱে সূৰ্য্য হেনো নামি আহে এই নদীয়েদি এই বিখ্যাত কাব্য গ্ৰন্থৰ স্ৰষ্টা বিশিষ্ট কবি নীলমণি ফুকন দেৱলৈ জ্ঞানপীঠ বঁটা ঘোষণাৰ পিচত প্ৰতিজন অসমীয়াই গৌৰৱ বোধ কৰিছে আৰু এই স্বীকৃতিয়ে অসমীয়া কাব্য সাহিত্যক এক বিশেষ দিশলৈ আগবঢ়াই লৈ গ'ল। এয়া ৰাজ্য বাসীৰ বাবে নি:সন্দেহে গৌৰৱৰ বিষয়।

বছৰটোৰ শেষৰ ফালে ছোৱালী সকলৰ উত্তৰণ আৰু উন্নয়নৰ নিমিত্তে পাঁচ খন জিলাত ইতিমধ্যে প্ৰৱৰ্তিত হৈ থকা বেটি পঢ়াও বেটি বচাও এই আঁচনি খন ৰাজ্য খনৰ আন সকলো জিলালৈ প্ৰৱৰ্তন কৰাটো নি:সন্দেহে আমাৰ সকলোৱে বাবে ইতিবাচক খবৰ। এইদৰে কমকৈ হলেও বছৰটোৰ ভিতৰত কেইটামান ইতিবাচক খবৰে সকলোৱে মনলৈ এক আশা আনি দিলে। ভৱিষ্যতৰ বাটত আগবাঢ়ি যাবলৈ পথ দেখুৱাই দিলে।

এই আশাব্যঞ্জক খবৰবোৰৰ লগতে বহুতো নেতিবাচক ঘটনা প্ৰবাহে ৰাজ্যখনৰ মহিলা যুৱতীসকলক বাৰুকৈয়ে চুই গৈছে। বছৰটোৰ মাজভাগত ধেমাজি জিলাৰ মৰিচল অঞ্চলত নন্দিতা শইকীয়া নামৰ এগৰাকী অত্যন্ত মেধাবী আৰু প্ৰতিভাৱান ছাত্ৰীৰ ঘাতকৰ দাৰ ঘাঁপত অকাল মৃত্যু হৈছিল। এই ঘটনাই সমগ্ৰ ৰাজ্যখনতে তোলপাৰ লগাইছিল। ইয়াৰ পিছতেই গড়চুক অঞ্চলতো ঘটিছিল মহিলা হত্যাৰ ঘটনা। মহানগৰীত দিনদুপৰতে ঘটি যোৱা এনে মহিলা হত্যাৰ ঘটনাই আমাৰ ৰাজ্যৰ আইন শৃঙ্খলা পৰিস্থিতিৰ ওপৰত স্বাভাৱিকতে প্ৰশ্নৰ অৱতাৰণা কৰে। ইয়াৰ উপৰিও ৰাজ্যৰ কেইবাখনো ঠাইত অপহৰণ, ধৰ্ষণৰ দৰে ঘটনা ঘটিয়েই আছে। ইয়াৰ উপৰিও বছৰটোৰ প্ৰায় শেষৰ ফালে মহানগৰীৰ বেলতলাত এগৰাকী অৱসৰপ্ৰাপ্ত অভিযন্তা আৰু তেওঁৰ বয়সীয়া পত্নীক দিন দুপৰতে হত্যা কৰি ঘৰৰ ভিতৰতে পেলাই থৈ যোৱা ঘটনাটোৱে ৰাজ্যত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছিল। যিকোনো ঠাইত এনেধৰণৰ ঘটনা ঘটিলেই ৰাজ্যব্যাপি তীব্ৰ প্ৰতিবাদ জনোৱা হয়। ফাৰ্ষ্ট ট্ৰেক আদালতৰ জৰিয়তে বিচাৰ কৰাৰ বাবে দাবী তোলা হয়। কিন্তু কেইদিন সকলো আকৌ নিতাল মাৰে। বিচাৰ প্ৰক্ৰিয়াটোৰ পৰা অৰ্থাৎ আৰম্ভণিৰ পৰা শেষলৈ ধৰি ৰাখিবলৈ আমাৰ বিচাৰ ব্যৱস্থাত নিশ্চয় বহুত কৰণীয় আছে যাৰ ফলত ভুক্তভোগী আৰু তেওঁৰ পৰিয়ালে উপযুক্ত সময়ত উচিত বিচাৰ লাভ নকৰে। এই লেহেমীয়া আইনী ব্যৱস্থাৰ শীঘ্ৰে পৰিবৰ্তনঘটাৱ লাগে ৰাজ্যখনত। আমাৰ ৰাজ্যত দিনক দিনে ইমান ভয়াবহ হাৰত মহিলাৰ এপৰত হোৱা হিংসাত্মক আক্ৰমণ বাঢ়ি গৈছে যে এইক্ষেত্ৰত আমাৰ ৰাজ্যখন পঞ্চম স্থানত আছে। সমাজত শিক্ষিত প্ৰায় সকলো মানুহে জানে যে সংবিধানে মানুহক আইনী সুবিধা আৰু অধিকাৰ দিছে। এই সমূহ কথা লিখা পঢ়া কৰা টাউন চহৰৰ মানুহৰ ভিতৰতে সীমাবদ্ধ থাকিলে নহ'ব যিহেতু মহিলাৰ হিংসাৰ বিষয়টো কেৱল চহৰ অথবা গাওঁ অঞ্চলৰ ভিতৰতে সীমাবদ্ধ হৈ থকা নাই। সেয়েহে প্ৰচলিত আইনী ব্যৱস্থাৰ বিষয়ে গাঁও আৰু ভিতৰুৱা অঞ্চলত বাস কৰা লোক সকলেও ভালদৰে বুজি উঠিব লাগিব সেয়েহে আমি পাৰ হৈ যাব খোজা বছৰটোত লাভ কৰা অভিজ্ঞতাসমূহেৰে আহিবলগীয়া দিনসমূহত মহিলাৰ ওপৰত হোৱা হিংসা ৰোধ কৰিবলৈ হাতে কামে লগা উচিত।

# অযোধ্যাত ৪৯.৮৩ কোটি টকা ব্যয়েৰে

আৰু সুস্থতা কেন্দ্ৰ মুখ্যতঃ প্ৰাথমিক পৰ্যায়ত নিৰ্মাণ কৰা হৈছে, যাৰ উদ্দেশ্য হৈছে আয়ুষ নীতি আৰু পদ্ধতিৰ আধাৰত জনসাধাৰণৰ সামগ্ৰিক স্বাস্থ্যৰ যত্ন লাৰো, যাতে সৰ্বস্তৰৰ সকলা লোকে এক স্বাস্থ্যৱান জীৱন যাপন কৰিব পাৰে।"ভগৱান ৰামচন্দ্ৰৰ নিৰ্দেশক সাৰাগেত কৰি প্ৰভু হনুমানে যুদ্ধক্ষেত্ৰত অসুস্থ হাৰো লক্ষমণক সুস্থ কৰি তালোৰ বাবে হিমালয়ৰ পৰা সঞ্জীৱনী ঔষধ কঢ়িয়াই আনিছিল। মহাকাব্য ৰামায়ণত উল্লিখিত এই কিংবদন্তিয়ে সূচায় যে, ভাৰতৰ পৰম্পৰাগত ঔষধ প্ৰণালীৰ ঐতিহ্য চহকী আৰু সমৃদ্ধিশালী।" এই ঐতিহ্য অক্ষুন্ন ৰাখি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মাদোৰ নেতৃত্বত বিশ্বজুৰি আয়ুষ প্ৰণালীৰ জনপ্ৰিয়কৰণত সাণোৰোলে গুৰুত্ব আৰাপে কৰে। উত্তৰ প্ৰদেশৰ কৰ্মঠ, লাকেপ্ৰিয় মুখ্যমন্ত্ৰী যাগেী আদিত্যনাথক ভূয়সী প্ৰশংসা কৰি সাণোৰোলে কয় যে, "মোদীজী আৰু আদিত্যনাথজীৰ যুটিয়ে উত্তৰ প্ৰদেশলৈ দ্ৰুত আৰু আমূল পৰিৱৰ্তন কঢ়িয়াই আনিছে, যিয়ে সামৰি লৈছে সৰ্বস্তৰৰ নাগৰিকক।" অন্যহাতে মুখ্যমন্ত্ৰী যাগেী আদিত্যনাথে আয়ুষৰ প্ৰসাৰত কেন্দ্ৰীয় চৰকাৰৰ সবল ভূমিকাক প্ৰশংসা কৰে আৰু উত্তৰ প্ৰদেশত আয়ুষৰ জনপ্ৰিয়কৰণত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে ঐক্যবদ্ধ প্ৰচেষ্টাৰে কাম কৰিব বুলি তেখেতে উল্লেখ কৰে। এই অনুষ্ঠানত উত্তৰ প্ৰদেশ চৰকাৰৰ আয়ুষ মন্ত্ৰী ধৰমসিং ছাইনী, সাংসদ লালুসিং, বিধায়কসকল, অযাধ্যোৰ মেয়ৰ প্ৰমুখ্যে চৰকাৰৰ উচ্চপদস্থ বিষয়াসকল আৰু বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

# জানুৱাৰীৰ পৰা ১৫বছৰ উৰ্দ্ধক ক'ভিড

প্ৰদান প্ৰক্ৰিয়া আৰম্ভ হ'ব। প্ৰধানমন্ত্ৰী মোদীয়ে কয়-এসপ্তাহৰ ভিতৰতে আমি ২০২২ত প্ৰৱেশ কৰিবলৈ গৈ আছোঁ। আজি বিশ্বৰ অনেক দেশ অমিক্ৰনৰ ভাবুকিৰ সন্মুখীন হৈছে। ক'ভিডৰ নতুন প্ৰকৰণ অমিক্ৰনৰ বাবেই বিশ্বৰ অধিকসংখ্যক দেশত আক্ৰান্তৰ সংখ্যা বাঢ়িছে। মই সকলোকে আহ্বান জনাওঁ শংকিত নহৈ সতৰ্ক হৈ থাকক। ক'ভিড ভেকচিন প্ৰদান কৰাৰ ৰৰ মাহ সম্পূৰ্ণ হোৱাৰ প্ৰসংগ উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে দেশে ক'ভিড ভেকচিনৰ ১০০ কোটি ড'জ অতিক্ৰম কৰি ইতিহাস গঢ়া বুলি কয়। ১০০ শতাংশ টিকাকৰণ হ'লেহে তেওঁ সন্তুষ্ট হ'ব বুলি উল্লেখ কৰি কয় যে ক'ৰোনা ভাইৰাছ এতিয়াও শেষ হোৱা নাই। লগতে প্ৰধানমন্ত্ৰী মোদীয়ে কয় - সম্প্ৰতি ভাৰতত ১৮ লাখ আইছ'লেচন বেড, ৫ লাখ অক্সিজেন সন্নিৱিষ্ট বেড়, ১.৪ লাখ আই চি ইউ বেড, ৯০ হাজাৰ শিশু আই চি ইউ আৰু আই চি ইউবিহীন বেড, ৩ হাজাৰতকৈ অধিক কৰ্মক্ষম পি এছ এ অক্সিজেন প্লান্ট আৰু ৪ লাখ অক্সিজেন চিলিণ্ডাৰ দেশজুৰি বিতৰণ কৰা হৈছে।




# কবিতাৰ শিতান

## অৱহেলিতা নাৰী


**ময়ূৰাক্ষী গগৈ,যোৰহাট**



পুৰুষ শাসিত সমাজত
নাৰী তুমি যুগে যুগে
অৱহেলিতা, নিৰ্যাতিতা।
পূজা মণ্ডপৰ দেৱীক
কৰযোৰ কৰা পুৰুষ জনেই
কুণ্ঠাবোধ নকৰে
নিজৰ পত্নীৰ ওপৰত হাত তুলিবলৈ।
মঞ্চত নাৰীক প্ৰশংসাৰ
মালা পিন্ধোৱা
পুৰুষ জনেই কিন্তু
পত্নীৰ উন্নতিত ঈৰ্ষান্বিত হয়।
কটু বাক্য বানে ঘৰ খনত
সৃষ্টি কৰে ধুমুহাৰ।
ভদ্ৰতাৰ মুখা পিন্ধা
এই পুৰুষৰ মাজতে লুকাই আছে
একো একোটা ৰাক্ষস।
হে নাৰী, জাগিবৰ হ'ল
দুৰ্গতি নাশিনী দুৰ্গা হৈ
পুৰুষৰ মাজত লুকাই থকা
ৰাক্ষস বোৰক নিপাত কৰিবৰ

## নুৰিয়াই বান্ধিলো

**মাধুৰী শৰ্মা সভাপণ্ডিত**



শেষ আঘোণৰ হাঁহিত
শুকান চোতালত
ন ধানৰ গোন্ধ,
আকালৰ আতালত
নুৰিয়াই বান্ধিলো
মেটমৰা সুখ
চৌদিশে যৌৱনা সপোন।

## বন্দী


**ইন্দ্ৰজিৎ বুঢ়াগোহাঁই, ডিব্ৰুগড়**



গতানুগতিক আৰু জীৱন।
বৰ্তমান হৈ হৈ অতীত।।
হঠাৎ থমকি ৰওঁ মই এন্ধাৰ ৰাতি ।
চাৰিওফালে উকা উকা লগা এখন পৃথিৱী ।।
কিন্তু যেতিয়া জোনাকৰ তিৰবিৰনিত পথাৰৰ শস্য বোৰ সোণ গুটি হৈ জিলিকি উঠে,
ফিৰ ফিৰিয়া বতাহজকত মন প্ৰাণ সজীৱ হৈ পৰে ।
মই আকৌ ভাবিবলৈ বাধ্য হওঁ
আমি যেন বন্দী হৈ ও আজি স্বাধীন।

## বিধবা

**শ্ৰী ৰূপৰেখা ঠাকুৰ,দেৰগাঁও**



বিধবাৰো এটা ৰঙীন
মন থাকে,
ৰঙীন হৈ জী থাকিবলৈ
কাৰোবাৰ বুকুত মূৰ থৈ
সতেজ উম লবলৈ
কাৰণ তাই নোৱাৰে
সচা অন্তৰৰ মৰম পাব
কাৰণ তাই বিধৱা।
ঘৰৰ সকলোৱে তাইৰ
কপালক দোষ দিয়ে
তাই অমঙ্গলীয়া।
কিমান সহ্য কৰিব তাই
তাই আবেগিক হৈ পৰে
অন্তৰৰ কোনোবা কোণত
বিষাদেৰে ভৰি পৰে
বৈ আহে দুচকুৰে নিজৰা,
তাই কিমান সহিব
অন্তৰৰ দোষ বেদনা
তাই ভাবি নাপায়
এখন সমাজত
পত্নী হীন পুৰুষে
সহিব নালাগে
বিধবাৰ দৰে দোষবেদনা।

## অপেক্ষা

**ৰাজলক্ষ্মী বৰঠাকুৰ গোলাঘাট**



সেইদিনা কলেজ তিনিআলিত
গাড়ীৰ বাবে ৰৈ থাকোতে
তোমাক দেখা পালো,
নেজানো তোমাৰ চকু যুৰিত
কি আছে ?
তোমাৰ চকু যুৰিয়ে
মোক মুগ্ধ কৰে,
চকু যুৰি দেখাৰ লগে লগে
মোৰ দুখ -ভাগৰ
সকলো আঁতৰি যায়
পিছদিনাখন কলেজত
কম বুলি ভাবিছিলোঁ
তোমাৰ চকুত চকু থৈ
মোৰ মনৰ কথাবোৰ
কিন্তু কবলৈ ভয় লাগিল
তুমি বা মোৰ কথা কি ভাবা
মাথো এটা অপেক্ষা..

## কোৱা আৰু শিয়ালৰ কথাৰে

**গায়ত্ৰী দেৱী বৰঠাকুৰ**
**তেজপুৰ, শোণিতপুৰ**



কোৱাৰি ফাটি বিষালী হ'ল আমাৰ এটি কোৱা।
দুখৰ সমভাগী সখা শিয়ালে সুধিলে , " কথাটো কি কোৱা, আমাকো এবাৰ কোৱা।"
আঁতি- গুৰি মাৰি কথাটো ক'বলৈ মুখ মেলোতেই উৰি গ'ল কোৱাৰ প্ৰাণবায়ু ।
সান্ত্বনা দিলে সবে মিলি শিয়ালক , "দুখ নকৰিবা বপু, পৰমেশ্বৰে ইমানেই লিখিছিল আমাৰ কোৱাৰ আয়ু।"
কোৱাৰ দুখত শিয়াল বপুয়ে বাদ দিলে খোৱা-বোৱা।
প্ৰতি নিশাই ৰাউচি জোৰে, কেৱল মাথো হোৱা- হোৱা।
শিয়াল- কোৱাৰ বন্ধুত্বৰ ইমানতেই শেষ হ'ল সাধু।
সুখৰ দিনত দুয়ো মিলি কিমান ৰঙ- ৰহইচ কৰিছিলে মনত পৰেনে বাৰু??
মইনাহঁত, তোমালোকে অৰণ্যৰ জীৱ- জন্তুবো খবৰ খাতি ল'বা ।
তেহে তোমালোকো প্ৰকৃত মানুহ আৰু সুনাগৰিক হ'বা।
যমৰমেৰে জগত জিনাৰ চিনি ল'বা যাদু। পঢ়া- শুনাৰ লগতে ভাল কামবোৰো সদায়ে কৰি থাকিবা কিন্তু।

## সুখ

**-নিতিষ্মান দাস**
**শ্ৰেণী-সপ্তম**



সুখ ভাবিলে সেইটো সুখ নেকি,
য'ত মোৰ বাবে মা দেউতাৰ মুখত হাঁহি।
মই ভাবো সুখ পোৱাৰ সহজ উপায় নো কি?
আৰু যিটো সুখেৰে দুখক, দৈনিক ৰাখিব পাৰে ঢাকি।
সুখ এনে বৃক্ষ যি সহজতে নাভাঙে,
সুখ এনে আখৰ যি সহজতে নুমুছে,
সুখত থাকিলে দুখৰ মূল্য নো কোনে বুজিব,
দুখ নাথাকিলে জীৱনৰ শিক্ষা কোনেনো দিব।
বহু লোকে জীৱনত, সুখক বঞ্চিত কৰে,
এই বাবে বহু লোকে আত্মহত্যাৰ পথ বাছে।
সুখ বেছি থাকিলেও জাগে অহংকাৰী মন,
এনেদৰে সুখৰ পৰা মানুহৰ হয় পতন।
ধনেৰে নহয়! মন আৰু তনেৰে সুখী হওঁক,
সুখী থাকিবৰ বাবে সত্যৰ পক্ষ লওঁক।
নিজৰ সুখৰ বাবে আনক দুখ নিদিবা,
মৰম আৰু আদৰে জীৱন পাৰ কৰিবা।
সুখ নালাগে জীৱনত বিচাৰি থাকিব,
নিজৰ সু-কৰ্মৰে সুখ পাছে-পাছে ফুৰিব।
ধৰণী খনক সুখত ৰাখিলে আমিও সুখী হম,
কোনোদিনে কোনেও নকয় নৰ'ক অধম।

জনতাৰ চৰকাৰ | my GOV মেৰী সৰকাৰ

# ৰাজহুৱা স্থানত পিক পেলোৱা অথবা দেৱালত প্ৰচাৰ পত্ৰ লগোৱা এক দণ্ডনীয় অপৰাধ

## ৰাজহুৱা সম্পত্তি ৰক্ষাৰ ক্ষেত্ৰত গুৱাহাটী পৌৰ নিগমৰ গুৰুত্বপূৰ্ণ পদক্ষেপ





## শাস্তি

- প্ৰথমবাৰৰ বাবে ১,০০০ টকাৰ জৰিমনা
- পুনৰাবৃত্তি কৰাসকলৰ বাবে অধিক জৰিমনা
- প্ৰয়োজন অনুসৰি পৌৰ নিগম আইন/উপ-আইনৰ অধীনত গোচৰ পঞ্জীয়ন

পৌৰ নিগমৰ অনুমতি অবিহনে প্ৰচাৰ পত্ৰ/বিল লগোৱাসকলৈ প্ৰচাৰ পত্ৰ আঁতৰোৱাৰ বাবে ১৫ দিনৰ সময়, অন্যথা আইনী ব্যৱস্থা

তথ্যৰ সত্যতা নিৰূপণৰ ভিত্তিত এনে ফটো প্ৰেৰকলৈ ১,০০০ টকাৰ নগদ পুৰস্কাৰ



নাগৰিকসকলে তলৰ ৱাটছএপ নম্বৰযোগে উপযুক্ত প্ৰমাণসহ আইন উলংঘনকাৰীসকলৰ ফটো শ্বেয়াৰ কৰিব পাৰে

৮৮১১০ ০৭০০০/৭৩৯৯০ ০৩০০১/৭৩৯৯০ ০৩০০২/৭৩৯৯০ ০৩০০৪

পঞ্জীয়ন কৰক assam.mygov.in | /mygovassam

JANASANYOG- 2890/21

E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

Rongili Barta
GUWAHATI—781025

১০ পুহ, ১৪২৭ চন Rongili Barta, Date of Publication-- 26 December, 2021

# অভিজ্ঞতা

প্ৰতিজন দেৱৰাজীয়ানৰ ওচৰত এজন সাধাৰণ সম্পাদক হিচাপে থকাতকৈ প্ৰথমে এজন দেৱৰাজীয়ান হৈ থাকিবলৈ চেষ্টা কৰিছিলোঁ। ডাঙৰক সন্মান আৰু সৰুক মৰম কৰি আগবাঢ়ি যাবৰ চেষ্টা কৰিছিলোঁ। অৱশেষত আজি সেই দিনটো আহিল ।নৱনিৰ্বাচিত ছাত্ৰ একতা সভাই দায়িত্বভাৰ গ্ৰহণ কৰিলে। নৱনিৰ্বাচিত ছাত্ৰ একতা সভাৰ প্ৰতিজন সদস্যক শুভকামনা জ্ঞাপন কৰিছো আৰু মই প্ৰতিটো সময়ত তোমালোকৰ লগত থকাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছোঁ। সৰ্বশেষত জনাব বিচাৰোঁ যে, মই যদিও আজিৰ পৰা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হৈ নাথাকোঁ, তথাপিও প্ৰতিজন দেৱৰাজীয়ানৰ লগত আগতে যিদৰে আছিলোঁ ঠিক তেনেদৰে আগলৈও থাকিম বুলি প্ৰতিজ্ঞাবদ্ধ হলোঁ। শেষত কওঁ প্ৰতিটো সময়ত দেৱৰাজীয়ানৰ লগত আছিলোঁ, আছোঁ আৰু থাকিম।

।। জয়তু দেৱৰাজ ৰয়
মহাবিদ্যালয়।।
জয় আই অসম

# বিচ্ছেদ

**প্ৰস্তুতি শৰ্মা**
**গোলাঘাট বাণিজ্য মহাবিদ্যালয়**



শেষ নিশা হেমন্তৰ কুঁৱলী জাকে লাজৰ ওৰণি গুচাই তাক মনে মনে কৈছিল তাৰ গোপন প্ৰেমৰ কাহিনী। আৰু সি কথা শুনি মৌন হৈ ৰৈছিল। মনত পৰিছিল আজিৰ পৰা পাঁচবছৰৰ আগৰ সেই শীতৰ ৰাতিটোলৈ য'ত দুয়োৰে প্ৰেমৰ বিচ্ছেদ হৈছিল ।

# নিবনুৱাক প্ৰতাৰণা-অপমান

এতিয়ালৈকে চৰকাৰী আৰু বেচৰকাৰী উভয় খনযদত চৰকাৰে কিমান চাকৰি দিলে সেয়া আমি দাবী কৰাস্বেতপত্ৰখনত বৰ্ণনা কৰক।" চাকৰিপ্ৰাৰ্থীৰ 'বায়োডাটা'ক আপমান কৰাৰ দৰে দুৰ্ভগ্যজনক ঘটনা কালি সংঘটিত হোৱাটো লজ্জাজনক বুলি উল্লেখ কৰি গগৈয়ে কয় যে নিজৰ বায়োডাটাখনৰ সৈতে শিক্ষিত যুৱক-যুৱতীসকলৰ আৱেগ জড়িত থাকে। তেওঁলোকৰ সেই আৱেগক অপমান কৰাটো অক্ষমণীয় অপৰাধ। উক্ত অপৰাধ কৰি অসমৰ ২০ লক্ষ্যাধিক পঞ্জীকৃত নিবনুৱাক অপমান কৰা চৰকাৰখনৰ মুৰব্বীগৰাকীয়ে সেই কাৰণেই ক্ষমা খুজিব লাগে আৰু ব্যৰ্থ বিভাগটোৰ মন্ত্ৰীগৰাকীয়ে পদত্যাগ কৰিব লাগে।

# অনুৰ্ধ-১৯ এছিয়া কাপত পাকিস্তানে ভাৰতক অন্তিম বলত পৰাস্ত কৰে



ৰঙিলী বাৰ্ত্তাসেৱা- পাকিস্তানী ক্ৰিকেট দলে পুনৰ এবাৰ খেলৰ ক্ষেত্ৰত ভাৰতীয় ক্ৰিকেট দলক পৰাস্ত কৰে। ডুবাইত অনুষ্ঠিত অনুৰ্ধ-১৯ এছিয়া কাপৰ খেলখনত পাকিস্তানে ভাৰতক ২ উইকেটত পৰাস্ত কৰে। এই ৰোমাঞ্চকৰ খেলখনত ভাৰতৰ দলে প্ৰথমে বেটিং কৰি ৪৯ অভাৰত ২৩৭ ৰাণ সংগ্ৰহ কৰিছিল, কিন্তু ইয়াৰ প্ৰত্যুত্তৰত পাকিস্তানে ৮ টা উইকেট হেৰুৱাই এই লক্ষ্য প্ৰাপ্ত কৰি জয়লাভ কৰে। মুহাম্মাদ শ্বেহজাদে পাকিস্তানৰ হৈ সৰ্বাধিক ১০৫ টা বলত ৮১ ৰাণ সংগ্ৰহ কৰে।

# পৰিৱৰ্তন

শাৰীত বহি আছিল। মই বহিছিলো একেবাৰে শেষৰ শাৰীত। প্ৰধান শিক্ষকে চৰকাৰী নিয়মাৱলী পঢ়ি শুনালে। বহুতো নিয়মৰ লগতে দুটা নিয়মে মোক আকৰ্ষিত কৰিলে। (১) প্ৰাৰ্থীজনৰ স্কুলত শিক্ষকতা কৰা অভি:তা থাকিব লাগিব । (২) হায়াৰ চেকেণ্ডাৰী পৰীক্ষাৰ নম্বৰ শতকৰা ৪৫ ৰ কম হ'ব নালাগিব। তাৰ পিছত প্ৰাৰ্থীসকলৰ নাম আৰু নম্বৰবোৰ পঢ়ি গ'ল।

এজন সদস্যই ক'লে, " ছাৰ, আপোনালোকেই উচিত সিদ্ধান্ত লওক ।" আন এজন সদস্যই ক'লে, " বৰ্তমান ইংৰাজী পঢ়ুৱা শিক্ষকজনে অৱসৰ ল'লে। সেয়ে ল'ৰা- ছোৱালীক ইংৰাজী পঢ়ুৱাবলৈ শিক্ষকৰ অভাৱ হৈছে। নতুনকৈ নিযুক্তি পোৱাজনে যাতে ইংৰাজী পঢ়ুৱাব পাৰে। আমাৰ গাঁৱৰ ল'ৰা এজন ইংৰাজীত এম এ য। তাকে চাই-। অৱশ্যে মোৰ মতে হ'ব লাগিব বুলি কোৱা নাই। সকলোৱে মতামত লওক।"

সেই সময়ত আমাৰ পুত্ৰইও কৈছিল, " মা, ইংৰাজী পঢ়ুৱা ছাৰ যোৱাৰ পিছত আমাৰ স্কুলত বৰ অসুবিধা হৈছে।" সেই অঞ্চলত স্কুলতটো বাদেই, টকা দিলেও ইংৰাজী টিউচন পাবলৈ নাই । যি অভিভাৱকে অলপ জানে, নিজৰ সন্তানক শিকায় । তাকো ইংৰাজী জনা অভিভাৱকৰ সংখ্যা এপাচি শাকত এটা জালুকৰ নিচিনা । টিউচন দিব পৰা শক্তিও শতকৰা নৱৈ ভাগ অভিভাৱকৰ নাই । আমাৰ পুত্ৰই যেতিয়া পঞ্চম শ্ৰেণীত নাম লগাবলৈ পৰীক্ষা দিছিল, তেতিয়া মই চিন্তা কৰা দেখি প্ৰিঞ্চিপাল আৰু প্ৰধান শিক্ষকে কৈছিল, " তুমি এনেই চিন্তা কৰিছা। কিছুমান ল'ৰা ছোৱালীয়ে এতিয়াও নিজৰ নামটো অসমীয়া বা ইংৰাজীত শুদ্ধকৈ লিখিব নোৱাৰে ।"

" আৰু কোনোবাই ক'ব নেকি ?" প্ৰধান শিক্ষকৰ মাতত মই সচকিত হ'লো ।চাৰিওফালে চালো, সকলো নিমাত । বহুতো ভাবি চিন্তি স্বামীয়ে দিয়া লক্ষণ ৰেখা পাৰ হৈ থিয় হৈ ক'লো, শ্ৰদ্ধাৰ-। "

শ্ৰদ্ধাৰ-। মোৰ মতে নম্বৰ বেছি পোৱাজনক অগ্ৰাধিকাৰ দিয়ক।"

" তুমি নামটো কোঁৱা।"

" ছাৰ, নামটো নাজানো। চিনিও নাপাওঁ। কোৱা শুনিছো, নম্বৰ বেছি পোৱা প্ৰাৰ্থীজন ইংৰাজী বিষয়ত এম এ। বি এড ও কৰি আছে। স্কুলত ইংৰাজী পঢ়ুৱা শিক্ষক নাই। তেখেতক চাকৰিটো দিলে সকলো ছাত্ৰ - ছাত্ৰী বিশেষকৈ দুখীয়া ঘৰৰ ছাত্ৰ - ছাত্ৰীসকল উপকৃত হ'ব । "

মৃদু গুঞ্জনৰ মাজত মোৰ ওচৰলৈ অহা ল'ৰাজনৰ সপক্ষে প্ৰিঞ্চিপালে ক'লে, " বি এড পঢ়িহে আছে। পাছ হোৱা নাই নহয়। তেওঁৰ অভিজ্ঞতাও নাই ।"

" ছাৰ, পঢ়ি আছে যেতিয়া পাছও হ'ব পাৰে! অভিজ্ঞতা কেতিয়া হয়? যেতিয়া তেওঁক কামটো কৰিবলৈ সুবিধা দিয়া হয়। যদি শিক্ষকতা কৰি থকাজনকে বাৰে বাৰে সুবিধা দি থাকে, নতুন এজনৰ কেনেকৈ অভিজ্ঞতা হ'ব?"

"এই পদটো স্থায়ী নহয়, অস্থায়ীহে।"

" অস্থায়ী হ'লেও আপত্তি নাই ছাৰ। প্ৰাৰ্থীয়ে অস্থায়ী বুলি জানিও দৰ্খাস্ত দিছে । মই কোৱা প্ৰাৰ্থীজনৰ ঘৰৰ অৰ্থনৈতিক দিশটো বেয়া বুলি শুনিছো। দেউতাকে তামোল বেচে। অস্থায়ী শিক্ষকতাৰ দৰমহাৰে হালৰ গৰুহাল কিনিব পাৰিলেও বহুত। মানৱতাৰ খাতিৰতো তেওঁৱেই পাব লাগে।" মোৰ কাষত বহি থকা ল'ৰাজনৰ নবৌয়েকে এইখিনি সময়ত মই কোৱা কথাবোৰ মিছা বুলি সৰু সৰুকৈ প্ৰতিবাদ কৰি আছিল । মই তেওঁৰ প্ৰতিবাদত গুৰুত্ব নিদিলো । নবৌগৰাকীৰ স্বামী ওৰফে ল'ৰাজনৰ ককায়েক ওৰফে প্ৰিঞ্চিপালৰ সখী উপস্থিত আছিল । তেখেতে সেইখন এম ই স্কুলত শিক্ষকতা কৰাৰ উপৰিও সৰ্বশিক্ষাৰ এজন বিষয়া । অৱশেষত, মোৰ যুক্তি মতেই ইংৰাজী বিষয়ত এম এ ল'ৰাজনে শিক্ষকৰ পদটো পালে। ফলত, গাৱঁৰ ল'ৰাজনৰ লগত কেইবাবছৰো মোৰ মাত- কথা বন্ধ হৈ থাকিল।

(পিছৰ কথাখিনি লিখিবলৈ শিক্ষক পদত নিযুক্তি পোৱা ল'ৰাজনৰ ছদ্মনাম " দীপক " ব্যৱহাৰ কৰিম । লিখিবলৈ সুবিধা হ'ব, বুজিও পাব।)

# শিৰোনামাই কয়

নহয়; কিন্তু আৰিফুললাই দেউতাকৰ দিনৰে পৰা থকা আৰু দুই এজন ইচ্ছুক লোকৰ সৈতে কাম চলাই আছে- কোনো অসুবিধা নোহোৱাকৈ। কাকতৰ scripting হৈ যোৱাৰ পাছত, বিজ্ঞাপন সমূহ ভৰাই, প্ৰিন্ট কৰিবলৈ দিয়া হয় আৰু আবেলি লৈ প্ৰায় ৩০ হাজাৰ পঢ়ুৱৈৰ হাতত এই বাতৰি কাকত বোৰ পৰেগৈ। কাকত খনৰ মূল্য কেৱল ৭৫ পইচা (দুবছৰৰ আগলৈকে); দেশৰ ভিতৰতে কম মূল্যৰ বাতৰি কাকত। এই প্ৰেছত আনেও কিবা কিবি প্ৰিন্ট কৰাই বাবে আৰিফুল্লৰ আয় প্ৰেছৰ পৰাই হয়, বাতৰি কাকতৰ পৰা নহয়। আৰিফুল্লাই গৌৰবেৰে কয় সকলো ধৰনৰ বাতৰি আমি আৱৰি লওঁ, দেশৰ, আন্তৰ্জাতিক, স্থানীয়- যি বোৰ দৰকাৰ বুলি ভাবো। কিন্তু আন বহু উৰ্দু কাকতৰ দৰেই, অভিকেন্দ্ৰ বেছি কৈ মতামত হে, বাতৰি নহয় ; তদুপৰি, breaking news ৰ ওপৰত আমি বেছি গুৰুত্ব নিদিওঁ। আন উৰ্দু কাকতৰ দৰেই আমিও আমাৰ ধৰ্মৰ কথা লিখো আৰু ইছলামিক শিক্ষা প্ৰচাৰ হোৱাটোত জোৰ দিওঁ যদিও আমাৰ বহুতো অমুছলমান পাঠকো আছে। এই কাকতৰ পঢ়ুৱৈ দেশৰ সকলো ঠাইতে আছে, সেইবোৰ ঠাইলৈ আমি কেৰিয়াৰ কৰি পঠাও। কাকত খনত উৰ্দু আৰু ইংৰাজীত নানা ধৰণৰ বিজ্ঞাপন দিয়া হয় ।প্ৰথম পৃষ্ঠাত লাগতিয়াল, দেশ বিদেশৰ খবৰ, দ্বিতীয় পৃষ্ঠাত সম্পাদকীয় আৰু বাকী দুখন পৃষ্ঠাত থাকে স্থানীয় বাতৰি আৰু বিজ্ঞাপন। সোমবাৰৰ খন অলপ বেলেগ, ইয়াত প্ৰধানকৈ কোৰানৰ ওপৰত লিখা প্ৰবন্ধ আৰু কিছু ইছলামিক বুৰঞ্জীৰ কথা থাকে। প্ৰাক স্বাধীনতাৰ যুগত উত্তৰ ভাৰতৰ পৰা কেইবাখনো নামজ্বলা, উৰ্দু ভাষাৰ বাতৰি কাকত প্ৰকাশ হৈছিল, তাক সকলো ধৰ্মৰ লোকে পঢ়িছিল। কিন্তু দেশ বিভাজনৰ পিছত বেছিভাগ উৰ্দু কাকত বন্ধ হৈ গ'ল। আজি সৰহ সংখ্যক বাতৰি কাকত অনলাইনত উপলব্ধ, কিন্তু The Musalman ৰ তেনে কোনো মতলব নাই। এই কাকতৰ অসাধাৰনতা 'হাতে লিখা'; গতিকেই এই লোকবিশ্বাস মনৰ পৰা মচিব নোৱাৰি। আজি ৯৩ বছৰত ভৰি দিয়া, হাতে লিখা এই অনন্য বাতৰি কাকত এটা দিনো ক্ষতি নোহোৱাকৈ ওলাই আছে, আনকি বিভাজনৰ সময়টো এই কাকতে নিজৰ কৰ্তব্য কৰি গৈছিল।

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286